**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 26-06-2025 **Time :** 1715Hrs.

## **Assamese Evening Bulletin**

২০২০ চনত স্বাক্ষৰিত বি টি আৰ চুক্তি ৰূপায়ণ সম্পৰ্কত আজি নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু চুক্তি স্বাক্ষৰ কৰা সংগঠনকেইটাৰ প্ৰতিনিধিবৰ্গৰ মাজত ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত হয়। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ উত্তৰ-পূবৰ বাবে থকা যুটীয়া সচিব নিৰজ কুমাৰ বান্‌ছোড়ৰ অধ্যক্ষতাত নতুন দিল্লীৰ নৰ্থ-ব্লকত অনুষ্ঠিত এই বৈঠকত মন্ত্ৰণালয়ৰ উপ-সচিব এন আৰ মিন্‌ছ, অসম চৰকাৰৰ গৃহ বিভাগৰ সচিব পাৰ্থ মজুমদাৰ অসম আৰক্ষীৰ বিশেষ শাখাৰ অতিৰিক্ত সঞ্চালকপ্ৰধান হীৰেণ নাথ আৰু বিটিচিৰ প্ৰধান সচিব আকাশদীপে চৰকাৰী পক্ষৰ হৈ অংশগ্ৰহণ কৰে। নিখিল বড়ো ছাত্ৰ সন্থা, প্ৰাক্তন এন ডি এফ বি আৰু ইউনাইটেড বড়ো পিপল্‌ছ অৰ্গেনাইজেচনক প্ৰতিনিধিত্ব কৰা ১০ গৰাকী সদস্যই আজিৰ বৈঠকত অংশগ্ৰহণ কৰে। আমাৰ কোকৰাঝাৰৰ সংবাদদাতাই প্ৰীতম ব্ৰহ্মচৌধুৰীয়ে জনোৱা মতে আজিৰ বৈঠকত শোণিতপুৰ, বিশ্বনাথ আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ বড়ো বসতিপ্ৰধান অঞ্চলসমূহলৈ বিটিআৰৰ সম্প্ৰসাৰণ, বিটিআৰলৈ অধিক স্বায়ত্তশাসন আৰু ক্ষমতা হস্তান্তৰ কৰিব বিচৰা ১২৫ সংখ্যক সংবিধান সংশোধনী বিধেয়কৰ পাৰিতকৰণ আৰু কাৰ্বি আংলঙত বসবাস কৰা বড়ো লোকসকলক পাহাৰীয়া জনজাতিৰ মৰ্যাদা প্ৰদানকে ধৰি কেইবাটাও বিষয় আলোচনা কৰা হয়। আলোচনাত অংশগ্ৰহণ কৰা নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দীপেন বড়োকে ধৰি প্ৰতিনিধিসকলে এই বৈঠকক ইতিবাচক আৰু গঠনমূলক বুলি অভিহিত কৰে।

০০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত এই পৰ্যন্ত ১ লাখতকৈও অধিক আবেদন লাভ কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে আবেদন প্ৰাপ্তৰ ভিতৰত ৮১ হাজাৰৰো অধিক যুৱক-যুৱতীৰ সাক্ষাৎকাৰ সম্পূৰ্ণ হৈছে।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি আন্তৰ্জাতিক মাদকদ্ৰব্যৰ অপ-ব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। মাদক দ্ৰব্য মুক্ত এখন সমাজ গঢ়াৰ লক্ষ্যৰে গ্ৰহণ কৰা কাৰ্যব্যৱস্থা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে এই দিৱস উদ্‌যাপন কৰা হৈছে। এইবছৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে – 'সংক্ৰমণৰ অৱসান ঃ সকলোৰে বাবে প্ৰতিৰোধ, চিকিৎসা আৰু নিৰাময়'। মৰিগাঁও জিলা আৰক্ষী প্ৰশাসনৰ উদ্যোগত আৰু জাগীৰোড মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত এই দিৱস উপলক্ষে বিশেষ সজাগতা সভা অনুষ্ঠিত হয়। এই সভাত মাদকদ্ৰব্যৰ অপ-ব্যৱহাৰ আৰু ইয়াৰ পৰা হ'বলগীয়া ক্ষতি, মাদক দ্ৰব্যৰ অবৈধ সৰবৰাহৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হয়। জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষ ডং ভবেন চন্দ্ৰ নেওগে অনাগত দিনত এখন নিচামুক্ত সুস্থ সমাজ গঠনৰ বাবে সকলোৱে একত্ৰিত হৈ কাম কৰিবলৈ শপত বাক্য পাঠ কৰোৱায়। পশ্চিম কাৰ্বিআংলং জিলাৰ সদৰ হামৰেনতো আন্তৰ্জাতিক মাদকদ্ৰব্য অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস উদযাপন কৰা হয়। জিলা সমাজ

কল্যাণ বিভাগৰ উদ্যোগত আয়োজিত কাৰ্যসূচী অনুসৰি সজাগতা সমদল উলিওৱা হয়। দৰং জিলা আৰক্ষীৰ উদ্যোগত মঙলদৈ থানা চৌহদৰ পৰা এই দিৱস উপলক্ষে সজাগতা সমদল উলিওৱা হয়। ইপিনে, বিশ্বনাথৰ পানী ভঁৰালত থকা আৰক্ষী চাউনীৰ চৌহদত এই দিৱসৰ লগত সংগতি ৰাখি ২ কোটিৰো অধিক টকাৰ নিচাযুক্ত সামগ্ৰী দাহ কৰা হয়। অনুষ্ঠানত বিশ্বনাথৰ আৰক্ষী অধীক্ষক শুভাশীষ দেৱৰ্ষি চৌধুৰী উপস্থিত থাকে। গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইতো আজি মাদকদ্ৰব্য অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস উদযাপন কৰা হয়। এই দিৱসৰ লগত সংগতি ৰাখি জিলাখনৰ ১২ খন থানা এলেকাৰ বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত সজাগতা সভা অনুষ্ঠিত হয়। একেদৰে জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ উদ্যোগত গোৱালপাৰা মহাবিদ্যালয়ত এই দিৱস উদযাপন কৰা হয়। উল্লেখযোগ্য যে ৰাজ্যত শেহতীয়াকৈ চিৰিঞ্জেৰে মাদকদ্ৰব্য গ্ৰহণৰ ফলত এইচ আই ভি সংক্ৰমণ বৃদ্ধি পোৱা বুলি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে প্ৰকাশ কৰিছে। ৰাজ্যৰ ৯ খন জিলা চিকিৎসালয়কে ধৰি গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত এইচ আই ভিৰ পৰীক্ষাৰ ব্যৱস্থা আছে।

0000000

কাৰ্বিআংলং স্বায়ত্ত শাসিত পৰিষদে জিলাখনত পৰম্পৰাগত বিচাৰ পদ্ধতি সুচাৰুৰূপে প্ৰৱৰ্তনৰ বাবে ২০০০ চনৰ স্বায়ত্তশাসিত পৰিষদ আইনখন কাৰ্যকৰী কৰাৰ সিদ্ধান্ত লৈছে। আজি ডিফুত অনুষ্ঠিত পৰিষদৰ অধিৱেশন কক্ষত অনুষ্ঠিত ২৫১ সংখ্যক অধিৱেশনত ৰাজ্যপালে অনুমোদন জনোৱা স্বায়ত্ত শাসিত পৰিষদ বিধেয়কখনৰ ৪ নম্বৰ প্ৰস্তাৱ কাৰ্যকৰী কৰাত সেউজ সংকেত দিয়া হয়। আজি পৰিষদৰ অধ্যক্ষ ৰাজু তিচ'ৰ অধ্যক্ষতাত অনুষ্ঠিত অধিৱেশনত মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে দাখিল কৰা ২০২৫-২৬ বৰ্ষৰ অতিৰিক্ত লেখানুদানতো সদনে সৰ্বসন্মতিক্ৰমে অনুমোদন জনায়।

0000000

গুৱাহাটী মহানগৰীৰ ডাউন টাউন উৰণ সেতু অহা ৬ জুলাইত উদ্বোধন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে জানিবলৈ দিয়ে। নিৰ্দিষ্ট সময়ৰ পূৰ্বেই এই উৰণ সেতু নিৰ্মাণ কৰি উলিওৱাৰ বাবে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই শ্ৰমিকসকলক কৃতজ্ঞতা জ্ঞাপন কৰে। গুৱাহাটীৰ যান-জঁটৰ সমস্যা নিৰ্মূলৰ ক্ষেত্ৰত উৰণ সেতুখনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি তেওঁ লগতে আশা প্ৰকাশ কৰে।

0000000

**সমাপ্ত**